# বৈজ্ঞানিক মানসিকতা কিদৰে গঢ়িব পাৰোঁ

ড° দীনেশ চন্দ্ৰ গোস্বামী

## অতি চমু প্ৰশ্ন:

১। 'বৈজ্ঞানিক মানসিকতা কিদৰে গঢ়িব পাৰোঁ' প্ৰবন্ধটো লেখকৰ কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে?

**উত্তৰ:** 'বৈজ্ঞানিক মানসিকতা কিদৰে গঢ়িব পাৰোঁ' প্ৰবন্ধটো 'বৈজ্ঞানিক মন বৈজ্ঞানিক মানসিকতা' নামৰ গ্ৰন্থখনৰ পৰা (পৰিবৰ্ধিত আৰু সম্পাদিত ৰূপত) লোৱা হৈছে।

২। বসন্ত ৰোগ হোৱাৰ বিজ্ঞানসন্মত কাৰণ কি?

**উত্তৰ:** আধুনিক চিকিৎসাবিজ্ঞানী সকলৰ মতে, বসন্ত ৰোগ একোবিধ অতি ক্ষুদ্ৰ ভাইৰাছ বা বীজাণুৰ দ্বাৰাহে সৃষ্টি হোৱা ৰোগ। ভাইৰাছ নামৰ এই বীজাণুৰ আক্ৰমণৰ পৰা শৰীৰটোক ৰক্ষা কৰাৰ বাবে বিজ্ঞানীসকলে বেজি-ছুঁচ আৱিষ্কাৰ কৰিছে।

৩। আমাৰ বিশ্ব ব্ৰহ্মাণ্ডখনৰ ৰহস্য উদ্‌ঘাটনৰ ব্যৱস্থাটোক কি বুলি কোৱা হয়?

**উত্তৰ:** আমাৰ বিশ্ব ব্ৰহ্মাণ্ডখনৰ ৰহস্য উদ্‌ঘাটনৰ ব্যৱস্থাটোক বিজ্ঞান বুলি কোৱা হয়।

৪। যাদু-মন্ত্ৰ বা তাবিজ-বিভূতিৰে ৰোগ নিৰাময় কৰিব পাৰিবনে?

**উত্তৰ:** যাদু-মন্ত্ৰ বা তাবিজ-বিভূতিৰে এইবোৰ ৰোগৰ সৃষ্টিও কৰিব নোৱাৰে বা নিৰাময়ো কৰিব নোৱাৰি।

৫। ড° দীনেশ চন্দ্ৰ গোস্বামীয়ে সম্পাদনা কৰা এখন বিজ্ঞান বিষয়ক আলোচনীৰ নাম লিখা।

**উত্তৰ:** ড° দীনেশ চন্দ্ৰ গোস্বামীয়ে সম্পাদনা কৰা বিজ্ঞানবিষয়ক আলোচনীখনৰ নাম হ'ল- 'দৃষ্টি'।

প্ৰশ্ন: 'সাধোনত পোৱা ঔষধ' ৰোগীয়ে কিয় ব্যৱহাৰ কৰা অনুচিত?

উত্তৰ: মানৱৰ অৱচেতন মনৰ অব্যক্ত ধাৰণাই হৈছে সাধোন। কিছুমান মানুহে হঠাতে ৰাতি সাধোনত কোনো শক্তিৰ দ্বাৰা মানুহৰ দ্বাৰা ৰোগ নিৰাময়ৰ দৰৱ বা মন্ত্ৰ লাভ কৰা বুলি দাবি কৰে। আন দুই-এজনে হঠাতে কোনো অদ্ভুত শক্তিৰ অধিকাৰী হৈ পৰা বুলি, ভূত-ভৱিষ্যতৰ কথা ক'ব পৰা, আনকি ভৱিষ্যৎ নিৰ্ণয় কৰি দিব পৰা হোৱা বুলি আৰু প্ৰায় সকলো ৰোগ নিৰাময় কৰিব পৰা হোৱা বুলি দাবী কৰে। এনে দাবীৰ কোনো ভিত্তি নাই আৰু সময়ত এইবোৰ মিছা বুলিও প্ৰমাণিত হয়। অন্ধবিশ্বাসী এচাম মানুহৰ পৃষ্ঠপোষকতাত এনে ঘটনা ঘটি থাকে। এইবোৰ ঘটনাই ব্যক্তি আৰু সমাজৰ অনিষ্ট সাধন কৰে। গতিকে, সাধোনত পোৱা ঔষধ ৰোগীয়ে ব্যৱহাৰ কৰা অনুচিত।